# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। হাৰিয়ানা বিধানসভা নিৰ্বাচনত তৃতীয়বাৰৰ বাবে বিজেপিৰ ক্ষমতা দখল। জম্মু-কাশ্মীৰত নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটৰ চৰকাৰ নিশ্চিত।

২। নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান। বিশিষ্ট অভিনেতা মিঠুন চক্ৰৱৰ্তীলৈ দাদা চাহেব ফাল্কে বঁটা, মালায়লম বোলছবি অট্টমলৈ বৰ্ষশ্ৰেষ্ঠ ছবিৰ সন্মান।

৩। কুলনন্দিনী মহন্ত পৰিচালিত **এমুঠি পুঠি**লৈ ৰজত কমল বঁটা।

৪। জন এছ্ হপফিল্ড আৰু জেফ্ৰি ই হিণ্টনলৈ ২০২৪ চনৰ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা।

***আৰু***

৫। ৰাজ্যজুৰি শাৰদীয় দুৰ্গা পূজাক লৈ আনন্দমুখৰ পৰিৱেশে।

০০০০

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনত নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে সংখ্যা গৰিষ্ঠ আসন লাভ কৰি চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। ইপিনে হাৰিয়ানা বিধানসভা নিৰ্বাচনত বিজেপিয়ে একেৰাহে তৃতীয়বাৰৰ বাবে ক্ষমতা দখল কৰাৰ সম্ভাৱনা স্পষ্ট হৈ পৰিছে।

দেশৰ নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৯০ খন আসন থকা জম্মু-কাশ্মীৰত বৰ্তমানলৈকে নেচনেল কনফাৰেন্সে ৪২ খন আসনত জয়লাভ কৰিছে। বিজেপি ২৯ খনত, কংগ্ৰেছ ৬ খনত, জম্মু-কাশ্মীৰ ডেম'ক্ৰেটিক পাৰ্টি তিনিখন, জম্মু-কাশ্মীৰ পিপলছ কনফাৰেন্স এখনত, চি পি আই এম এখনত, আম আদমী পাৰ্টী এখনত আৰু নিৰ্দলীয় প্ৰাৰ্থী ৭ খন আসনত জয়ী হৈছে।

বিজেপিৰ দৰ্শন কুমাৰে বাচ'লি আসনত জয়লাভ কৰাৰ বিপৰীতে দলৰ আন এগৰাকী প্ৰাৰ্থী ৰণবীৰ সিং পাঠানীয়া উধমপুৰ পূব সমষ্টিত জয়ী হৈছে। বিজেপিৰ ছগুন পৰিহাৰ কিস্তৱাৰ আসনত আৰু ড০ ভাৰত ভূষণ কথুৱাত জয়ী হৈছে। ইয়াৰ বিপৰীতে নেচনেল কনফাৰেন্সৰ নাজিৰ আহমেদে গুৰেজ আসনৰ পৰা এহাজাৰো অধিক ভোটত জয়ী হৈছে। দলৰ আন এগৰাকী ছলমান সাগৰে হজৰতবল সমষ্টি দখল কৰিছে। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেন্সৰ নেতা ওমৰ আব্দুল্লাহ বদগাম আৰু গান্দেৰবল দুয়োখন আসনতে জয়লাভ কৰিছে। একেদৰে কংগ্ৰেছৰ পীৰজাদা মহম্মদ ছৈয়দ অনন্তনাগ আসনত জয়লাভ কৰিছে। নেচনেল কনফাৰেন্সৰ আব্দুল মাজিদ ভাট অনন্তনাগ পশ্চিম আসনত আৰু জন্মু কাশ্মীৰ পিপুলছ কনফাৰেন্সৰ ছজ্জাদ গনি ল'নে হাণ্ডৱাৰা আসনত জয়ী হৈছে।

***(ভইচ কাষ্ট)***

হাৰিয়ানাৰ ৯০ খন আসনৰ ভিতৰত বিজেপিয়ে ৪১ খন জয়লাভ কৰাৰ বিপৰীতে ৭ খনত আগবাঢ়ি আছে। আনহাতে কংগ্ৰেছে ৩৩ খন আসনত জয়ী হৈছে আৰু ৪ খনত অগ্ৰগতি লাভ কৰিছে। ইণ্ডিয়ান নেচনেল লোকদলে দুখনত জয়লাভ কৰিছে। নিৰ্দলীয় প্ৰাৰ্থী তিনিখনত জয়ী হৈছে।

বিজেপি নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী নায়াব সিং ছেইনী লাড়ৱা আসনত জয়লাভ কৰিছে। জুলানা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৱিনেছ ফোগাটে জয়লাভ কৰিছে। কংগ্ৰেছৰ আফতাব আহমেদে নুহ আসনখন দখল কৰিছে। কংগ্ৰেছ নেতা তথা

ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুডায়েও গঢ়হি ছাম্পলা কিল'লি সমষ্টিত জয়ী হৈছে। বিজেপিৰ মনোজ কুমাৰে পলৱাল আৰু নিখিল মদনে শোণিপত আসনত জয়লাভ কৰিছে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে হাৰিয়ানাত বিজেপিৰ বৃহৎ জয়ৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দলীয় কৰ্মকৰ্তাসকলক অভিনন্দন জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জনকল্যাণমূলক পদক্ষেপ আৰু দূৰদৰ্শিতাৰ বাবেই দেশৰ জনতাই বিজেপিৰ প্ৰতি আস্থা প্ৰকাশ কৰিছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই হাৰিয়ানা বিধানসভা নিৰ্বাচনত তৃতীয়বাৰৰ বাবে বিজয় লাভ কৰাৰ বাবে দলীয় কৰ্মকৰ্তাসকলক অভিনন্দন জ্ঞাপন কৰে। মোদীৰ গেৰাণ্টীৰ ওপৰত জনতাৰ সম্পূৰ্ণ বিশ্বাস আৰু আস্থাৰ বাবেই বিজেপিয়ে এই কৃতিত্ব অৰ্জন কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ চি বি আইক অনলাইন ট্ৰেডিং প্ৰবঞ্চনাৰ গোচৰ অৰ্পন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন থানাত পঞ্জীয়নভুক্ত অনলাইন ব্যৱসায়ৰ সৈতে জড়িত ৪১ টা গোচৰ চি বি আইলৈ হস্তান্তৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, যোৱা ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ অনুমোদন অনুসৰি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ এই সন্দৰ্ভচ পত্ৰ প্ৰেৰণ কৰিছিল। ৰাজ্য চৰকাৰৰ আহ্বান মৰ্মে কেন্দ্ৰীয় চৰকাৰে পুলিচ এষ্টাব্লিছমেণ্ট এক্ট ১৯৪৬ চৰ তিনি নম্বৰ ধাৰাৰ আধাৰ অধীনত তদন্ত গ্ৰহণ কৰিবলৈ চি বি আই লৈ নিৰ্দশনা জাৰি কৰে। তদন্ত ক্ষীপ্ৰ কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায় আগবঢ়াব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশ্বাস প্ৰদান কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীত ২০২২ বৰ্ষৰ বাবে ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ প্ৰদান কৰিছে। এই উপলক্ষে বিশিষ্ট অভিনেতা মিথুন চক্ৰৱৰ্তীক ভাৰতীয় চলচ্চিত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হৈছে। কানাড়া ছবি কান্তাৰাত কৰা অনবদ্য অভিনয়ৰ বাবে ঋষভ ছেট্টিক শ্ৰেষ্ঠ অভিনেতাৰ বঁটাৰে সন্মানিত কৰা হৈছে। লগতে নিত্যা মেননক তামিল ছবি তিৰুচিত্ৰাম্বলমত আৰু মানসী পাৰেখক গুজৰাটী ছবি কাটছ্ এক্সপ্ৰেছত কৰা মননশীল অভিনয়ৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা প্ৰদান কৰা হয়।

ইপিনে, অনিৰুদ্ধ ভট্টাচাৰ্য আৰু পাৰ্থিৱ ধৰে ৰচনা কৰা Kishore Kumar: The Ultimate Biography গ্ৰন্থখনক চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পুৰস্কৃত কৰা হৈছে। এইবেলি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত সৰ্বশ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালম চলচ্চিত্ৰ অট্টমক আৰু তথ্য চিত্ৰ শিতানত সৰ্বশ্ৰেষ্ঠ হিচাপে আয়েনা নিৰ্বাচিত হৈছে। উঁচায়ি চলচ্চিত্ৰখনৰ বাবে সুৰজ বৰজাত্যক শ্ৰেষ্ঠ পৰিচালক হিচাপে সন্মানিত কৰা হৈছে। সংগীত শিতানত অৰিজিত সিং আৰু বোম্বে জয়শ্ৰীক ক্ৰমে শ্ৰেষ্ঠ পুৰুষ আৰু মহিলা নেপথ্য কণ্ঠশিল্পী বঁটা প্ৰদান কৰা হয়। আনহাতে, কুলনন্দিনী মহন্ত পৰিচালিত অসমীয়া চিনেমা এমুঠি পুথিকে ধৰি পুনিয়ান ছেলভন-১, কে জিএফ-২, ব্ৰহ্মাস্ত্ৰ, অপৰাজিত, কাবেৰী, অন্তৰ্ধান, দমন আৰু বাঘি দি ধি চলচ্চিত্ৰ কেইখনকো বিশেষ বঁটাৰে পুৰস্কৃত কৰা হৈছে।

০০০০০০০০

২০২৪ বৰ্ষৰ মুনীন বৰকটকী সাহিত্য বঁটা ‘পৰুৱা পোহনীয়া’ শীৰ্যক ছুটি গল্প সংকলনৰ বাবে তৰুণ প্ৰজন্মৰ প্ৰতিশ্ৰুতিসম্পন্ন গল্পকাৰ পাপৰি বৰ্মনলৈ আগবঢ়োৱা হৈছে। সাহিত্যিক সমালোচক, সাংবাদিক প্ৰয়াত মুনীন বৰকটকী স্মাৰক ন্যাসৰ তৰফৰ পৰা অসমীয়া ভাষাৰ প্ৰতিভাশালী তৰুণ লেখক-লেখিকাক উদ্গনি যোগোৱাৰ বাবে ১৯৯৫ চনৰ পৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। এই বঁটাত আছে – নগদ ৫০ হাজাৰ টকা, এটা স্মাৰক আৰু এখন প্ৰশস্তি পত্ৰ।

০০০০০০০

জন এছ্ হপফিল্ড আৰু জেফ্রি ই হিণ্টনলৈ কৃত্রিম স্নায়ু নেটৱৰ্কৰ জৰিয়তে যন্ত্ৰ শিক্ষণক কাৰ্যক্ষম কৰিতোলাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে ২০২৪ চনৰ পদাৰ্থ বিজ্ঞান ন'বেল বঁটা ঘোষণা কৰা হৈছে। দুয়োগৰাকী ন'বেল প্ৰাপকে আধুনিক সময়ৰ শক্তিশালী যন্ত্ৰ শিক্ষণৰ ভেটি গঢ়াৰ বাবে পদাৰ্থ বিদ্যাৰ আহিলাৰ সহায় লৈ নিৰ্দিষ্ট পদ্ধতি বিকশাই তুলিছিল।

oooooooo

শাৰদীয় দুৰ্গা পূজাৰ প্ৰাক্ মুহূৰ্তত সমগ্ৰ ৰাজ্যজুৰি উৎসৱৰ আনন্দমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হ'ব। এইবাৰ দেৱী দুৰ্গাৰ দোলাত আগমন ঘটিছে আৰু ঘোঁৰাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। বিগত কিছুদিন ধৰি ৰাজ্যত বৰষুণ হোৱাৰ পৰিপ্ৰেক্ষিতত এইবাৰ পূজাৰ উৎসাহ কিছু স্তিমিত হোৱা দেখা গৈছিল যদিও বতৰ ফৰকাল হোৱাৰ লগে লগে ৰাজ্যবাসীৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজা-মণ্ডপসমূহ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰা হৈছে। ইপিনে, ইতিহাসপ্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথমদিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি দেৱী কাত্যায়নীৰ বন্দনা কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে  দিয়া বাৰ্তাত দেৱী কাত্যায়ানীৰ আশীৰ্বাদত জনসাধাৰণৰ শক্তি, সামৰ্থ আৰু সাহস বৃদ্ধিৰ বাবে সেৱা জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও আজি দেৱী কাত্যায়নীৰ আৰাধনা কৰাৰ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু সমৃদ্ধিৰে ভৰাই তুলিবলৈ আশীষ বিচাৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ উপাসনাৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চি চি টি ভি কেমেৰা সংস্থাপন, স্বেচ্ছাসেৱক নিয়োগ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাকে ধৰি পূজা সমিতিসমূহলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰা হৈছে। গুৱাহাটী মহানগৰীত ইতিমধ্যে ৪৫০ খনৰো অধিক সমিতিয়ে পূজা অনুষ্ঠিত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ পৰা অনুমতি লৈছে। শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়, উজান বজাৰৰ উগ্ৰতাৰা দেৱালয়, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি বিভিন্ন ইতিহাস প্ৰসিদ্ধ স্থানসমূহত পূজা উপলক্ষে পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে। **শিৱসাগৰ** জিলাতো পূজা মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই তোলাৰ লগতে শক্তিৰূপা দেৱী দুৰ্গাৰ আৰাধনাৰ বাবে জনসাধাৰণ সাজু হৈছে। জিলাখনত দুৰ্গাপূজাৰ আয়োজন সম্পৰ্কে এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী –

(ভইচ কাষ্ট)

মণ্ডপসমূহত স্বনামধন্য শিল্পীসকলৰ ছবি অংকন কৰি সজাই-পৰাই তোলা হৈছে।  ইপিনে, **গোলাঘাট** জিলাতো পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। কামৰূপ মহানগৰ জিলাৰ বাছনিপ্ৰাপ্ত পূজা সমিতিসমূহক আজি পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই আৰ্থিক অনুদান বিতৰণ কৰে।

**কৰিমগঞ্জ** জিলাৰ পূজা সমিতিসমূহে শাৰদীয় পূজাৰ বাবে আয়োজন সম্পূৰ্ণ কৰিছে। জিলাখনৰ ১১৭ খন দুৰ্গাপূজা সমিতিৰ বিষয়ববীয়াক আজি ৰাজ্য চৰকাৰে আৰ্থিক অনুদান বিতৰণ কৰে।

**ধুবুৰী** জিলাত দুৰ্গাপূজা উপলক্ষে জিলাখনৰ প্ৰান্তে প্ৰান্তে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। জিলাখনৰ ৪০৭ খন পূজা সমিতিক ৰাজ্য চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰিছে। **গোৱালপাৰা জিলা**তো সাৰ্বজনীন দুৰ্গা পূজা মণ্ডপসমূহকে ধৰি বিভিন্ন পূজাথলীত শাৰদীয় পূজাৰ প্ৰস্তুতি সম্পন্ন হৈছে। জিলাখনত পূজাৰ আয়োজন সম্পৰ্কে এয়া আমাৰ সংবাদদাতা ৰছিদুল হুছেইন –

(ভইচ)

ooooooo

ৰাজ্য চৰকাৰে চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলক ২০ শতাংশ পূজাৰ বনাচ আগবঢ়াবলৈ সিদ্ধান্ত লৈছে। ইয়াৰ দ্বাৰা ৰাজ্যৰ ৮ শতাধিক চাহ বাগিচাৰ ১০ লাখৰো অধিক শ্ৰমিক-কৰ্মচাৰীয়ে উপকৃত হ'ব। এই বনাচ আদায়ৰ বাবে ৰাজ্য চৰকাৰে ৭৮ কোটিৰো অধিক টকা ব্যয় কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত ৰিক্সা চালক, ঠেলা চালকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে। অন্তোদয়া আঁচনিৰ জৰিয়তে সমাজৰ সৰ্বস্তৰৰ লোকৰ সম বিকাশ আৰু সম মৰ্যাদা নিশ্চিত কৰাটো বিজেপি চৰকাৰৰ মূল লক্ষ্য বুলি তেওঁ উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ৰিক্সা চালক, ঠেলা চালকসকলৰ সৈতে একেলগে পুৱাৰ আহাৰ গ্ৰহণ কৰাৰ উপৰি তেওঁলোকৰ সুখ-দুখ বিনিময় কৰে।

০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশ লয়। পশুপালন বিভাগৰ চলি থকা সংশ্লিষ্ট কামকাজৰ পৰ্যালোচনা, অগ্ৰগতিৰ মূল্যায়ন আৰু চলিত বৰ্ষৰ বাজেট আৱণ্টনৰ ব্যয়ৰ মূল্যায়ন সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে পশুপালকসকলৰ কল্যাণ নিশ্চিত কৰাৰ লগতে গাহৰী আৰু হাঁহ-কুকুৰা খণ্ডৰ উন্নয়নত গুৰুত্ব আৰোপ কৰে। ইয়াৰ বাবে তেওঁ পশুপালক তথা কৃষক সংগঠনসমূহৰ সৈতে বৈঠকত মিলিত হয় ফলপ্ৰসূ কৌশল উদ্ভাৱন কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। পশুপালকসকলক সহায় কৰাৰ লক্ষ্যৰে ল'বলগীয়া সকলো পদক্ষেপ ক্ষীপ্ৰতাৰে সম্পন্ন কৰিবলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০০০০০

জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত পূব মাজুলী মহাবিদ্যালয় আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হয়। মহিলা সৱলীকৰণ তথা বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ৫ গৰাকী মহিলা আৰু কিশোৰীক এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। **বেটী বাচাও, বেটী পঢ়াও** এই আঁচনিৰ অধীনত আয়োজিত এই কাৰ্যসূচীত ভালকেগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

একেদৰে যোৰহাটৰ মহাত্মা গান্ধী মহাবিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত কন্যা শিশু দিৱসৰ তাৎপৰ্য, দক্ষতা বিকাশ, ঋতুশ্ৰাৱজনিত বিভিন্ন দিশত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০

**সমাপ্ত**